No. of Printed Pages—2

80 (ASB3)

[17-HDGKACRM-M3]

MA 3rd Semester Exam., 2017

ASSAMESE

[MAS (S3) 10 (Lit)]

(অসমীয়া ভক্তিসাহিত্য)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) অসমীয়া ভক্তিসাহিত্যৰ সীমাবদ্ধতা কি বুলি আপুনি বিৱেচনা কৰে ?

(b) অসমীয়া ভক্তিসাহিত্যত নৱ-বৈষ্ণৱ যুগৰ সাহিত্যিক শ্ৰীধৰ কন্দলিৰ স্থান কি ?

(c) 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখনৰ মূল আধাৰ কি আছিল ? এই গ্ৰন্থখনত 'ৰত্নাকৰ' শব্দই কি অৰ্থ সূচিত কৰিছে ?

(d) 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখনৰ নৱম আৰু দশম মাহাত্ম্যৰ মূল কথা কি ?

(e) 'পুৰাণ' শব্দটোৰ অৰ্থ নিৰূপণ কৰক ।

(f) অসমীয়া শাক্ত সাহিত্যৰাজি কেইটা আৰু কি কি ভাগত বিভাজন কৰি আলোচনা কৰিব পাৰি ?

2. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) ভাৰতীয় ভক্তি আন্দোলনলৈ গুৰু নানকৰ অৱদান সম্পৰ্কে আলোচনা কৰক।

(b) দামোদৰীয়া বৈষ্ণৱ ধৰ্মৰ প্ৰধান মতাদৰ্শসমূহ উল্লেখ কৰক।

(c) অসমীয়া সাহিত্যত শিৱ দেৱতাৰ প্ৰকাশ কেনেদৰে ঘটিছে, বিচাৰ কৰক।

(d) 'শ্ৰীশ্ৰীচণ্ডী' পুথিখনত উপকাহিনী সংযোগ কৰি কবিয়ে দেৱী মাহাত্ম্য কেনেদৰে প্ৰকাশ কৰিছে, সেই বিষয়ে এটি টোকা লিখক।

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ভাৰতীয় ভক্তি আন্দোলনলৈ আলোৱাৰসকলৰ অৱদান সম্পৰ্কে চমুকৈ আলোকপাত কৰক।

(b) অসমীয়া ভক্তিসাহিত্যৰ বিস্তাৰ আৰু অৱসাদৰ কাল সম্পৰ্কে চমুকৈ লিখক।

(c) '' 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখনত ভক্তি আৰু ভক্তিৰ স্বৰূপ ব্যাখ্যা কৰি ভক্তিধৰ্মৰ শ্ৰেষ্ঠতা প্ৰতিপাদন কৰিছে।'' যুক্তিসহ কথাষাৰ প্ৰতিপাদন কৰক।

(d) 'ভক্তি ৰত্নাকৰ' গ্ৰন্থৰ মাজেদি কেনেদৰে শংকৰদেৱৰ ধৰ্মীয় দৰ্শন উদ্ভাসিত হৈছে, বুজাই লিখক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ''বিষ্ণু পূজাৰ বিস্তাৰ আৰু জনপ্ৰিয়তাৰ এক কাৰণ হ'ল তাৰ যাদুধৰ্মিতা।'' এই কথাষাৰৰ আধাৰত ভাৰতীয় ভক্তি আন্দোলনৰ আৰ্থ-সামাজিক পটভূমিৰ বিশ্লেষণ কৰক।

(b) অসমীয়া ভক্তিসাহিত্যক ৰূপগতভাৱে কি কি ভাগত ভাগ কৰিব পাৰি? প্ৰত্যেক ভাগৰ বিষয়ে বহলাই আলোচনা আগবঢ়াওক।

(c) 'ভক্তি বিবেক' গ্ৰন্থখনত ভক্তিৰ স্থান নিৰূপণ কৰক। লগতে এই গ্ৰন্থখনৰ আধাৰত দামোদৰীয়া বৈষ্ণৱ ধৰ্মৰ দৰ্শন তথা আধ্যাত্মিক তত্ত্ব কেনেদৰে ফুটি উঠিছে, সেই বিষয়ে আলোকপাত কৰক।

(d) ৰুদ্ৰসিংহৰ 'শিৱ পুৰাণ' গ্ৰন্থখনৰ মাজেদি শৈৱ ধৰ্মৰ শ্ৰেষ্ঠত্ব কেনেদৰে প্ৰতিপাদিত হৈছে, সেয়া উদাহৰণসহ বুজাই লিখক।

(e) 'শ্ৰীশ্ৰীচণ্ডী' পুথিখনৰ কাহিনী আৰু বিষয়বস্তুৰ আভাস দাঙি ধৰি এইখন পুৰাণত অন্য পুৰাণৰ প্ৰভাৱ কেনে, সেই বিষয়ে বহলাই আলোচনা কৰক।

★★★